समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



নৱম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

ইতিহাস

পাঠ - ২

ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণ

অংশ – ১

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ঔৰংজেৱৰ মৃত্যু (১৬৫৮-১৭০৯)

↓

মোগল সাম্ৰাজ্য বিভাজিত হ'বলৈ আৰম্ভ কৰিলে

↓

ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সুবিধা ল'লে

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় ৰাজনীতিত হস্তক্ষেপ কৰিবলৈ ধৰিলে।
- এসময়ত ব্যৱসায়িক সংস্থাৰ পৰা সর্বোচ্চ ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত হ'ল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ১৭৫৭ চনত পলাচী যুদ্ধত ছিৰাজ-উদ-দৌলাৰ পৰাজয়ৰ ফলত বংগত ব্রিটিছৰ ৰাজনৈতিক নিয়ন্ত্রণ আৰম্ভ হয়।
- অতি কম সময়ৰ ভিতৰত কোম্পানী প্রশাসনে সমগ্র ভাৰত গ্রাস কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ১৮৫৭ চনত ভাৰতীয়সকলে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰে।
- এই বিদ্ৰোহৰ লক্ষ্য আছিল ইংৰাজক অপসৰণ কৰি দেশত পুনৰ মোগল শাসন আৰম্ভ কৰা।

- বিদ্রোহ বিফল হ'লেও ইয়াৰ প্রভাৱ সুদূৰপ্রসাৰী আছিল।
- ই ভাৰতত জাতীয় জাগৰণৰ আৰম্ভণি কৰিছিল।



- ইংৰাজ প্ৰশাসনে ভাৰতীয়সকলক পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ লগত পৰিচয় কৰাই দিয়াত ভাৰতীয় দৃষ্টিভঙ্গী পৰিৱৰ্তন হৈছিল।
- ভাৰতত নৱজাগৰণ বা জাতীয়তাবাদৰ উন্মেষণ হৈছিল।



ভাৰতীয় জাতীয়তাবাদ উন্মেষণৰ কাৰকসমূহ

১. পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ

- ইংৰাজ প্ৰশাসনে ভাৰতত পশ্চিমীয়া শিক্ষাৰ প্ৰৱৰ্তন কৰে।
- নিজৰ সমাজ, জাতি আৰু দেশৰ প্ৰতি বিকশিত দায়িত্ববোধৰ বিকাশ।
- এই নতুন চেতনাই ১৯ শতিকাত নতুন ভাৰতৰ জন্ম দিছিল।

- খ্ৰীষ্টান মিছনেৰী আৰু প্ৰগতিশীল ভাৰতীয়সকলে শিক্ষাৰ পুনৰুজ্জীৱিতকৰণৰ বাবে সংস্কাৰৰ সূচনা কৰিছিল।
- বংগত আৰু সমগ্ৰ ভাৰতবৰ্ষত বিদ্যালয় আৰু মহাবিদ্যালয় মুকলি কৰা হ'ল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ ১৮৩৫ চনত লর্ড মেক'লে গৱর্ণৰ জেনেৰেল পৰিষদৰ আইনৰ সদস্য তথা শিক্ষাসমিতিৰ সভাপতি আছিল।

➢ ইংৰাজীক শিক্ষাৰ মাধ্যম হিচাপে লৈ পশ্চিমীয়া শিক্ষাৰ পোষকতা কৰিছিল।



লর্ড মেক'লে

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



চার্লচ উড

☛ ১৮৫৪ চনত চার্লছ উডৰ (নিয়ন্ত্রণ সভাৰ সভাপতি) প্রচেষ্টাত ভাৰতত আধুনিক শিক্ষাৰ সূচনা হয়। তেওঁ প্রথমখন বিস্তৃত শৈক্ষিক পৰিকল্পনা দাঙি ধৰে, যাক উডৰ প্রতিবেদন বুলি জনা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উডৰ প্ৰতিবেদন

১. প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়লৈকে সু-সংহত আঁচনি নিৰ্ধাৰণ।

২. নিম্ন পৰ্যায়ত স্থানীয় ভাষা প্ৰৱৰ্তন।

৩. উচ্চ পৰ্যায়ত ইংৰাজী ভাষা প্ৰৱৰ্তন।

৪. মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিৰ ব্যৱস্থা।

৫. শিক্ষানুষ্ঠানসমূহলৈ চৰকাৰী অনুদান-সাহায্য ব্যৱস্থা।

৬. সকলো প্ৰদেশতে শিক্ষা বিভাগ স্থাপন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ মূল উদ্দেশ্য বৃটিছ অধীনস্থ ভাৰতীয়ৰ এটা শ্ৰেণী সৃষ্টি কৰা।
- অৱশ্যে পাশ্চাত্য শিক্ষাই ভাৰতীয়সকলক নতুন ধাৰণাৰ সন্মুখীন কৰাইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাৰতীয়সকলে মহান ৰাজনৈতিক চিন্তাবিদসকলৰ উদাৰ আৰু নব্য চিন্তাধাৰাৰ সন্মুখীন হ'ল যেনে —

- ৰুছো
- বার্ক
- লক
- মেক'লে



- ভল্টেয়াৰ
- স্পেনচাৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাৰতীয়সকলে অনুপ্ৰাণিত হৈছিল —

- জাতীয়তাবাদ
- গণতন্ত্ৰ
- স্বশাসন



আমেৰিকাৰ স্বাধীনতা যুদ্ধ, ফৰাচী বিপ্লৱ আদি বিশ্বৰ বিভিন্ন ঘটনাৱলী ভাৰতীয়সকলক অনুপ্ৰাণিত কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- শিক্ষিত ভাৰতীয়সকলে তেওঁলোকৰ লিখনিৰ জৰিয়তে স্বাধীনতা আৰু সমতাৰ ধাৰণা জনসাধাৰণৰ মাজলৈ লৈ আহিছিল।
- ঈশ্বৰ চন্দ্ৰ গুপ্তাৰ দ্বাৰা ৰচিত দেশপ্ৰেমমূলক কবিতা, বংকিম চন্দ্ৰৰ আনন্দমঠ, ইকবালৰ সাৰে জাহাছে আচ্ছা আদিয়ে জাতীয়তাবাদৰ প্ৰেৰণা যোগাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২. যাতায়াতৰ উন্নতি

☛ ব্ৰিটিছে পৰিবহণ আৰু যোগাযোগৰ উন্নতি সাধন কৰিছিল —

- প্ৰশাসনিক প্ৰয়োজনীয়তা
- সামৰিক প্ৰয়োজনীয়তা
- বাণিজ্যিক প্ৰয়োজনীয়তা



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



☛ ১৮৩৯ চনত কলিকতা আৰু দিল্লীৰ মাজত গ্ৰেণ্ড ট্ৰাংক ৰোড নিৰ্মাণ কৰা হয়।

☛ লৰ্ড ডালহাউচীৰ কাৰ্যকালত (১৮৪৮-৫৬) এই পথছোৱাক পেছোৱাৰলৈ সম্প্ৰসাৰিত কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ইংলেণ্ডৰ আৰ্হিত ১৮৩২ চনত ভাপ কলেৰে ৰে'ল যোগাযোগ আৰম্ভনিৰ প্ৰস্তাৱ গ্ৰহণ।
- ১৮৫৩ চনত বম্বে আৰু থানেৰ মাজত প্ৰথম ৰেলপথ (২১ কিঃমিঃ) উদ্বোধন কৰা হয়।
- ১৮৫৪ চনত মাদ্ৰাজত ৰেলপথ নিৰ্মাণ আৰম্ভ হয়।
- ১৮৮৩ চনত অসমৰ শদিয়া আৰু ডিব্ৰুগড়ৰৰ মাজত চাহ ব্যৱসায়ৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰেলৱে নেটৱৰ্ক আৰম্ভ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ১৮৩৯ চনত ব্যক্তিগত খণ্ডৰ উদ্যোগত কলিকতা আৰু ডাইমণ্ড হাৰ্বাৰৰ মাজত টেলিগ্ৰাফ স্থাপন কৰা হয়।
- ১৮৫১ চনত লৰ্ড ডালহাউচীৰ দিনত টেলিগ্ৰাফ ব্যৱস্থাটো চৰকাৰী খণ্ডৰ অধীনলৈ অনা হয়।
- আধুনিক যোগাযোগে বিচ্ছিন্নতা ভাঙি সুদূৰ অঞ্চলত বাস কৰা লোকসকলক সংযোগ কৰি পেলালে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩. ধৰ্ম আৰু সমাজ সংস্কাৰ আন্দোলন

- প্ৰাক বৃটিছ ভাৰতবৰ্ষত অন্ধ বিশ্বাস আৰু কুসংস্কাৰে ভাৰতীয় সমাজক গ্ৰাস কৰিছিল।
- পাশ্চাত্য শিক্ষাৰ প্ৰৱৰ্তনে ভাৰতলৈ উদাৰ আৰু মানৱতাবাদী ধাৰণা কঢ়িয়াই আনিলে।
- কেইগৰাকীমান মহান ব্যক্তিৰ প্ৰচেষ্টাত সংস্কাৰকামী সমাজ গঠনৰ বাবে এক আন্দোলনৰ সৃষ্টি হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ এই সংস্কাৰকসকলে ধর্ম সামাজিক সংস্কাৰ আন্দোলনৰ জৰিয়তে নাৰীৰ অৱস্থা উন্নত কৰি যুক্তিবাদী সমাজ গঠনৰ লক্ষ্য লৈছিল।



(ক) ৰাজা ৰামমোহন ৰায় আৰু ব্ৰাহ্ম সমাজ :

- ৰাজা ৰামমোহন ৰায় (১৭৭২-১৮৩৩) ভাৰতীয় জাতীয়তাবাদৰ পূৰ্বসূৰী আছিল।
- বংগদেশৰ বৰ্ধমান জিলাৰ এটা ৰক্ষণশীল পৰিয়ালত জন্মগ্ৰহণ কৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ৰায়ে ভাৰতৰ সামাজিক, ধর্মীয়, ৰাজনৈতিক আন্দোলনৰ ভেটি স্থাপন কৰিছিল।
- ১৭৯৭ চনত খ্ৰীষ্টান ধর্ম প্রচাৰৰ বাবে শ্ৰীৰামপুৰত খ্ৰীষ্টান মিছনেৰীসকলে এটা ছপাশাল স্থাপন কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- শ্ৰীৰামপুৰ মিছনে বাংলাভাষাত প্ৰকাশ কৰা দিগদৰ্শন আৰু সমাচাৰ দৰ্পন নামৰ বাৰ্তালোচনীয়ে হিন্দু ধৰ্মক সমালোচনা কৰে।
- ৰাজা ৰাম মোহন ৰায়ে এই অপমানজনক মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ৰায়ে দুখন হাতে লিখা পুস্তিকা প্ৰকাশ কৰিছিল—

- ব্ৰাহ্মণ সেবধি
- ব্ৰাহ্মণ মিছনেৰী সংবাদ।

☞ তেওঁ ভাৰতীয় হিন্দু ধৰ্মৰ ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত যুক্তি সহকাৰে প্ৰৱন্ধ লিখিছিল।

☞ ৰায়ে হিন্দু ধৰ্মৰ সংস্কাৰ কৰিব বিচাৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ১৮১৫ চনত তেওঁ কলিকতাত আত্মীয় সভা প্ৰতিষ্ঠা কৰে।
- ১৮২৮ চনত তেওঁ ব্ৰাহ্ম সভা প্ৰতিষ্ঠা কৰে, পিছলৈ ব্ৰাহ্ম সমাজ নামেৰে নামাকৰণ কৰা হয়।
- ৰাজা ৰামমোহন ৰায়ে প্ৰাচীন হিন্দু শাস্ত্ৰ অধ্যয়ন আৰু পুনৰ ব্যাখ্যা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- তেওঁ উপনিষদসমূহ বহু পাঠকৰ বাবে সুলভ সহজ বাংলা ভাষালৈ অনুবাদ কৰিছিল।
- ইয়াৰ দ্বাৰা বাংলা ভাষা আৰু সাহিত্য সমৃদ্ধ হৈছিল।
- হিন্দু ধর্ম আৰু সাহিত্যৰ ওপৰত গতানুগতিক ব্রাহ্মণৰ আধিপত্য ভাঙি পেলালে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- ৰায়ে এই সিদ্ধান্তত উপনীত হয় যে প্ৰাচীন হিন্দুসকলেও এক ঈশ্বৰৰ ধাৰণাত বিশ্বাসী আছিল।
- তেওঁ মূৰ্তি পূজাৰ লগত জড়িত আচাৰ-ব্যৱহাৰক অৰ্থহীন বুলি গৰিহণা দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ৰায়ে নিন্দা কৰিছিল —

- জাতিবাদ
- সতীদাহ
- বাল্যবিবাহ
- বহুবিবাহ



তেওঁ বিধৱা পুনৰ বিবাহ আৰু অসবর্ণ বিবাহক সমর্থন কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- সতী বিলুপ্তিৰ বাবে তেওঁৰ অভিযান তাৎপৰ্যপূৰ্ণ আছিল।
- ৰায়ৰ সহযোগিতাত লৰ্ড উইলিয়াম বেণ্টিংকে সতীদাহ প্ৰথা বিলুপ্ত কৰিছিল।





- ডেভিদ হাৰৰ সহযোগত ১৮১৭ চনত ৰায়ে কলিকতাত হিন্দু কলেজ প্ৰতিষ্ঠা কৰে।
- এই মহাবিদ্যালয়খন পিছলৈ ১৮৫৫ চনত প্ৰেচিডেন্সি কলেজ নামে বিখ্যাত হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ৰাজা ৰামমোহন ৰায়ে প্ৰশাসনৰ উদাৰ নৈতিক সংস্কাৰৰ বাবে ব্ৰিটিছৰ কাষ চাপিছিল।
- তেওঁ ন্যায়পালিকাক কাৰ্যপালিকাৰ পৰা পৃথক কৰাৰ পোষকতা কৰিছিল।
- তেওঁ দেৱানী আৰু ফৌজদাৰী আইন সংস্কাৰৰ বাবে চৰকাৰক আবেদন জনাইছিল।

- দৰিদ্ৰ কৃষকৰ হকে কাম হাতত লৈছিল ৰাযে়।
- তেওঁ চৰকাৰক ভূমি ৰাজহ বিলুপ্ত কৰি কল্যাণমূলক ব্যৱস্থা প্ৰৱর্তন কৰিবলৈ আহ্বান জনায়।
- ১৮৩৩ চনত ৰাযে় হাউছ অৱ কমনছ ভ্ৰমণ কৰে।
- তেওঁ ভাৰতীয়সকলৰ দাবী ব্ৰিটিছ চৰকাৰৰ আগত দাখিল কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ৰাজা ৰামমোহন ৰায়ে বহুতো লোকক সমাজৰ পুনৰুজ্জীৱনৰ বাবে কাম কৰিবলৈ অনুপ্রাণিত কৰিছিল।
- উল্লেখযোগ্য ব্যক্তিসকলৰ ভিতৰত আছে দ্বাৰকানাথ ঠাকুৰ, প্রসন্ন কুমাৰ ঠাকুৰ, আৰু হেনৰী ভিভিয়ান ডেৰ'জিঅ' আদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

☛ ৰাজা ৰামমোহন ৰায়ক আধুনিক ভাৰতৰ পিতৃ বুলি গণ্য কৰা হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



(খ) আর্য সমাজ :

- ১৮৭৫ চনত পঞ্জাৱত স্বামী দয়ানন্দ সৰস্বতীয়ে (১৮২৪-১৮৮৩) আর্য সমাজ প্রতিষ্ঠা কৰিছিল।
- ব্রহ্ম সমাজৰ দৰে আর্য সমাজেও এক ঈশ্বৰক বিশ্বাস কৰিছিল।
- দেৱ-দেৱী উপাসনা আৰু মূর্তি পূজাক নিৰুৎসাহিত কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- আর্য্য সমাজে বাল্যবিবাহ, জাতিবাদ, বহুবিবাহক সামাজিক ৰোগ বুলি সমালোচনা কৰিছিল।
- বিধবা বিবাহ, স্ত্রীশিক্ষাৰ প্রসাৰ আৰু সমাজত মহিলাৰ সম মর্যাদাৰ পোষকতা কৰিছিল।
- আর্য সমাজেও সাগৰীয় যাত্রাক সমর্থন কৰিছিল আৰু অন্ধবিশ্বাসক নিৰুৎসাহিত কৰিছিল।

- দয়ানন্দ সৰস্বতীয়ে বেদৰ তত্বক বিশ্বাস কৰিছিল।
- তেওঁ বেদলৈ উভতি যোৱা বাণী প্রচাৰ কৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ আৰ্য সমাজে ধৰ্মান্ত কৰণৰ ব্যৱস্থা লৈছিল। ইয়াক শুদ্ধি বুলি জনা যায়।



মূল্যায়ন



১) ব্রাহ্ম সমাজ কোনে প্রতিষ্ঠা কৰিছিল ?

২) পলাচী যুদ্ধ কেতিয়া হৈছিল ?